**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। ভাৰতে থলুৱা প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনত সৰ্বোচ্চ বৃদ্ধি লাভ কৰি ২০২৩-২৪ বৰ্ষত এক লাখ ২৭ হাজাৰ কোটি টকাৰ অভিলেখ গঢ়িছে।

২। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বহনক্ষম সামুদ্ৰিক ভৱিষ্যতৰ বাবে সামূহিক পদক্ষেপ লোৱাৰ পোষকতা কৰিছে।

৩। ভাৰতীয় প্ৰশাসনিক সেৱাৰ ১৯৮৭ বেটছৰ কৰ্ণাটক কেডাৰৰ বিষয়া অজয় ছেঠক নতুন বিত্ত সচিব হিচাপে নিযুক্তি দিয়া হৈছে।

৪। ইজিপ্তে ইজৰাইল আৰু হামাছৰ মাজত যুদ্ধবিৰতি পুনৰ আৰম্ভ কৰাৰ লক্ষ্যৰে নতুন প্ৰস্তাৱ আগবঢ়াইছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত যোৱা নিশা ডেলহী কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১ উইকেটত পৰাস্ত কৰে।

ooooo

ভাৰতে থলুৱা প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনত সৰ্বোচ্চ বৃদ্ধি লাভ কৰি ২০২৩-২৪ বৰ্ষত এক লাখ ২৭ হাজাৰ কোটি টকাৰ অভিলেখ গঢ়িছে। মেক ইন ইণ্ডিয়া পদক্ষেপ মুকলিৰ পাছত এই অভিলেখ সৃষ্টি হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰে। সূত্ৰটোৰে প্ৰকাশ কৰা অনুসৰি ২০১৪-১৫ বৰ্ষত প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ মূল্য ৪৬ হাজাৰ ৪২৯ কোটিৰ তুলনাত বৰ্তমান ই ১৭৪ শতাংশ বৃদ্ধি পাইছে। মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা অনুসৰি এসময়ত প্ৰতিৰক্ষা সামগ্ৰীৰ ক্ষেত্ৰত বিদেশী যোগানৰ ওপৰত নিৰ্ভৰশীল দেশখনে থলুৱাভাৱে সামগ্ৰী নিৰ্মাণ কৰি দেশৰ সামৰিক শক্তি বৃদ্ধি কৰিছে। প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰত ২০১৩-১৪ বৰ্ষৰ ৬৮৬ কোটিৰ তুলনাত ২০২৩-২৪ বৰ্ষত ২১ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। মন্ত্ৰালয়ৰ সূত্ৰটোৰে আৰু কৈছে যে চৰকাৰে প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণ ক্ষেত্ৰৰ সহজ ব্যৱসায়ৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ছিংগাপুৰ সামুদ্ৰিক সপ্তাহত অংশগ্ৰহণ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এক সুৰক্ষিত, বহনক্ষম আৰু সমৃদ্ধ সামুদ্ৰিক ভৱিষ্যত গঢ়ি তোলাৰ লক্ষ্যৰে আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক নেতাসকলৰ সৈতে আলোচনাত মিলিত হয়। ভাষণত মন্ত্ৰীগৰাকীয়ে সামুদ্ৰিক খণ্ডই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ কথা উল্লেখ কৰে আৰু সামুদ্ৰিক কাৰ্যকলাপৰ বিকাশৰ বাবে ভাৰতৰ দৃষ্টিভংগীৰ কথা প্ৰকাশ কৰে। তেওঁ লগতে সামুদ্ৰিক সংযোগ আৰু যোগান শৃংখলা শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে আৰু সেউজ আৰু বহনক্ষম সামুদ্ৰিক ভৱিষ্যতৰ দিশত সামূহিক পদক্ষেপ লোৱাৰ পোষকতা কৰে। সৰ্বানন্দ সোণোৱালে দ্বিপাক্ষিক সামুদ্ৰিক আৰু বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে

ছিংগাপুৰৰ মন্ত্ৰীসকলৰ সৈতেও আলোচনাত মিলিত হয়। সোণোৱালৰ সৈতে ছিংগাপুৰ সামুদ্ৰিক সপ্তাহৰ কাৰ্যসূচীত ফ্ৰান্স, নেডাৰলেণ্ড, নৰৱে আৰু পৰ্তুগালৰ সমকক্ষসকলেও অংশগ্ৰহণ কৰে।

০০০০০

ভাৰতীয় প্ৰশাসনিক সেৱাৰ ১৯৮৭ বেটছৰ কৰ্ণাটক কেডাৰৰ বিষয়া অজয় ছেঠক নতুন বিত্ত সচিব হিচাপে নিযুক্তি দিয়া হৈছে। শ্ৰীছেঠে সম্প্ৰতি বিত্ত মন্ত্ৰালয়ৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। মন্ত্ৰীসভাৰ নিযুক্তি সমিতিয়ে নতুন বিত্ত সচিবগৰাকীৰ নিযুক্তিত অনুমোদন দিছে। প্ৰথা অনুসৰি বিত্ত মন্ত্ৰালয়ৰ আটাইতকৈ জ্যেষ্ঠ সচিবগৰাকীক বিত্ত সচিব হিচাপে নিযুক্তি দিয়া হয়। চলিত মাহৰ আৰম্ভণিতে শ্ৰীছেঠক ৰাজহ সচিব হিচাপে অতিৰিক্ত দায়িত্ব প্ৰদান কৰা হৈছিল। ৰুৰকীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ বিটেক ডিগ্ৰীধাৰী শ্ৰীছেঠে ২০২১ চনৰ এপ্ৰিলত অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ মাৰ্চত প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ ১২০ সংখ্যক খণ্ডৰ বাবে জনসাধাৰণৰ দিহা পৰামৰ্শ বিচাৰিছে। সামাজিক মাধ্যমিত লিখা এটা পষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা ব্যাপক সঁহাৰি লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। এই সঁহাৰিয়ে সামাজিক কল্যাণৰ বাবে সামূহিক প্ৰচেষ্টাৰ শক্তিকে প্ৰতিফলিত কৰিছে বুলি তেওঁ মন্তব্য কৰে।

জনসাধাৰণে এই অনুষ্ঠানৰ বাবে দিহা-পৰামৰ্শসমূহ অহা ২৮ মাৰ্চ পৰ্যন্ত ১৮০০-১১-৭৮০০ শুল্কবিহীন নম্বৰৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰিব পাৰিব। জনসাধাৰণে একেটা দিনলৈ নৰেন্দ্ৰ মোদী এপ নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তেও অনলাইন পদ্ধতিৰে নিজৰ দিহা-পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ৰাছিয়াই ভাৰতৰ সৈতে সুবিধাযুক্ত কৌশলগত অংশীদাৰিত্ব বিকশিত কৰিছে বুলি দেশখনৰ বৈদেশিক মন্ত্ৰী ছৰ্গেই লেভৰ'ভে প্ৰকাশ কৰিছে। লেভৰ'ভৰ উদ্ধৃতিৰে দেশখনৰ চৰকাৰী সংবাদমাধ্যমে প্ৰকাশ কৰে যে ৰাছিয়াই চীন, ভাৰত, ইৰাণ আৰু উত্তৰ কোৰিয়া আদি দেশসমূহৰ সৈতে থকা সম্পৰ্ক সম্প্ৰসাৰণৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আহিছে। আলেক্সজেণ্ডাৰ গৰচাক'ভ প্লাবিক ডিপ্ল'মেচি পুঁজিৰ ন্যাসৰক্ষী সকলৰ এখন বৈঠকত লেভৰ'ভে কয়, যে ৰাছিয়াই বিভিন্ন দেশৰ সৈতে থকা দেশখনৰ সম্পৰ্ক বিকাশৰ বাবে কাম কৰি আহিছে। বৈদেশিক মন্ত্ৰী লেভৰ'ভে আৰু কয়, যে পাৰস্পৰিক বুজাবুজিৰ মাজেৰে চীন গণৰাজ্যৰ সৈতে সংহত অংশীদাৰিত্ব আৰু কৌশলগত সহযোগিতা অভাৱনীয় পৰ্যায়লৈ লৈ যোৱাৰ লগতে ভাৰতৰ সৈতে দেশখনে কৌশলগত অংশীদাৰিত্ব বঢ়োৱাৰ বাবে অগ্ৰাধিকাৰ দি আহিছে।

০০০০০

নেপালত কালি দৈলেখৰ দুল্লু পৌৰসভাত শ্ৰী নেপাল ৰাষ্ট্ৰীয় মাধ্যমিক বিদ্যালয়ৰ বহুমুখী ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। ভাৰত চৰকাৰৰ সহযোগত প্ৰায় ২৫কোটি টকা ব্যয়েৰে শ্ৰী নেপাল ৰাষ্ট্ৰীয় মাধ্যমিক বিদ্যালয়ৰ বহুমুখী ভৱন নিৰ্মাণ কৰা হব। আধাৰশিলা স্থাপন অনুষ্ঠানত নেপালৰ কৰ্ণালী প্ৰদেশ চৰকাৰৰ সামাজিক উন্নয়ন মন্ত্ৰী ঘনশ্যাম ভাণ্ডাৰী,

ভাৰতীয় দূতাবাসৰ কাঠমাণ্ডুৰ পৰামৰ্শদাতা অবিনাশ কুমাৰ সিং আৰু দৈলেখৰ দুল্লু পৌৰসভাৰ মেয়ৰ ভাৰত প্ৰসাদ ৰিজাল উপস্থিত থাকে। নেপালৰ ভাৰতীয় দূতাবাসে এখন বিবৃতিযোগে জনাইছে যে 'নেপাল-ভাৰত উন্নয়ন সহযোগিতা'ৰ অধীনত ভাৰত চৰকাৰৰ বিত্তীয় সাহায্যৰে শ্ৰী নেপাল ৰাষ্ট্ৰীয় মাধ্যমিক বিদ্যালয়ৰ বহুমুখী ভৱনটো নিৰ্মাণ কৰা হব।

00000

ইজিপ্তে ইজৰাইল আৰু হামাচৰ মাজত যুদ্ধবিৰতি পুনৰুদ্ধাৰৰ লক্ষ্যৰে এটা নতুন প্ৰস্তাৱ আগবঢ়াইছে। প্ৰস্তাৱত হামাছে প্ৰতি সপ্তাহত পাঁচজনকৈ ইজৰাইলী যুদ্ধবন্দীক মুক্তি দিয়াৰ পৰামৰ্শ দিছে। প্ৰস্তাৱ অনুসৰি ইজৰাইলে বন্দীসকলক মুক্তিৰ প্ৰাৰম্ভিক সপ্তাহৰ পিছত যুদ্ধবিৰতিৰ দ্বিতীয় পৰ্যায় কাৰ্যকৰী কৰিব। নিৰাপত্তা সূত্ৰই জনাইছে যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু হামাচে এই প্ৰস্তাৱত সন্মতি প্ৰদান কৰিছে। আনহাতে ইজৰাইলে এতিয়ালৈ কোনো সঁহাৰি প্ৰদান কৰা নাই। যুদ্ধবিৰতিৰ এই প্ৰস্তাৱত বন্দীসকলৰ সম্পূৰ্ণ মুক্তিৰ বাবে এক বিতং সময়সীমা নিৰ্ধাৰণ কৰা হৈছে। গাজাত ইজৰাইলৰ সামৰিক অভিযান প্ৰত্যাহাৰৰ বাবেও প্ৰস্তাৱত সময়সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছে। যোৱা মঙলবাৰে ইজৰাইলে হামাচৰ বিৰুদ্ধে বিমান আৰু স্থল অভিযান পুনৰ আৰম্ভ কৰাৰ ফলত সংঘটিত তীব্ৰ হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত ইজিপ্তে এই নতুন প্ৰস্তাৱ প্ৰদান কৰিছে। জানুৱাৰীত সম্পন্ন হোৱা যুদ্ধবিৰতিৰ চুক্তি ইজৰাইলে ভংগ কৰিছে বুলি দাবী কৰা হামাছে নতুন যুদ্ধবিৰতিৰ আলোচনাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে। এই পদক্ষেপত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ বিশেষ দূত ষ্টিভ ৱিটকফৰ সৈতে চলি থকা আলোচনাও অন্তৰ্ভুক্ত হৈ আছে। কিয়নো দুয়োপক্ষই শান্তিপূৰ্ণ সমাধানৰ বাবে এক সম্ভাৱ্য পথ বিচাৰিছে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বিশাখাপট্টনমৰ ৱাই এছ্ ৰাজা শেখৰা ৰেড্ডী ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন উত্তেজনাপূৰ্ণ খেলত ডেলহী কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক অন্তিম অভাৰত ১ উইকেটত পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌৱে বান্ধি দিয়া ২১০ ৰাণৰ লক্ষ্য দিল্লীয়ে ১৯ অভাৰ আৰু ৩টা বলত ৯টা উইকেট হেৰুৱাই সফলতাৰে অতিক্ৰম কৰে। ইনিংছৰ এটা পৰ্যায়ত দিল্লীয়ে ৬৫ ৰাণতে ৫টা উইকেট হেৰুৱাই পৰাজয়ৰ শংকাত ভুগিছিল যদিও ইম্পেক্ট খেলুৱৈ আশুতোষ শৰ্মাই ৩১টা বলত ৬৬ আৰু বিপ্ৰাজ নিগমে ১৫টা বলত ৩৯ ৰাণ কৰি দলক বিজয়ৰ সোৱাদ দিয়ে। এটা ছিক্সেৰে দলৰ বিজয় নিশ্চিত কৰা আশুতোষ শৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে টছত জয়ী হৈ দিল্লীয়ে প্ৰথমে ফিল্ডিঙৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌৰ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০৯ ৰাণ কৰে। দলৰ হৈ মিছেল মাৰ্ছে ৭২ আৰু নিকোলাছ পুৰাণে ৭৫ ৰাণৰ বৰঙণি আগবঢ়ায়। দিল্লীৰ মিচেল ষ্টাৰ্কে সৰ্বাধিক ৩টা উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ মুখামুখী হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

00000

ভাৰত আজি ২০২৭ চনত চৌদি আৰৱত হ'বলগীয়া এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জনৰ বাবে এখন গুৰুত্বপূৰ্ণ খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন মেঘালয়ৰ শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতীয় দলটোৱে ইয়াৰ পূৰ্বে যোৱা

বুধবাৰে এখন আন্তঃৰাষ্ট্ৰীয় প্ৰীতি খেলত মালদ্বীপক ৩-০ গ'লত পৰাস্ত কৰিছিল। এয়া আছিল মুখ্য প্ৰশিক্ষক মানোলো মাৰ্কুৱেজৰ অধীনত ভাৰতৰ প্ৰথম বিজয়।

যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতাৰ অন্তিম ৰাউণ্ডত ভাৰতক হংকং, ছিংগাপুৰ আৰু বাংলাদেশৰ সৈতে গ্ৰুপ-চিত ৰখা হৈছে।

ooooo

সমাপ্ত